কৰিবও পাৰে। ১৯৬০ চনৰ পৰাই Saudi Arabian National Guard (SANG) বাহিনীয়ে ৰজা আব্দুল্লাহৰ নিজা সামৰিক বাহিনী হিচাবে কাম কৰি আছে। SANG বাহিনী কোনো সংৰক্ষিত বাহিনী নহয় যদিও ই যিকোনো সময়ত আগ শাৰীৰ সামৰিক বাহিনী হিচাবে কাম কৰি আহিছে। এই SANG বাহিনীৰ প্ৰধান কাম হৈছে ৰাজ পৰিয়ালক ৰক্ষণা-বেক্ষণ দিয়া। প্ৰাক্তন প্ৰতিৰক্ষা মন্ত্ৰী ৰাজকুমাৰ ছুলতানৰ মৃত্যু লৈকে SANG এ তেওঁৰ নিজা ৰক্ষক হিচাবে কাম কৰি আহিছে।

১৯৯০ দশকৰ পৰাই ছৌদি আৰব চৰকাৰে সামৰিক আৰু প্ৰতিৰক্ষা বিভাগত যথেষ্ট পইচা খৰচ কৰি আহিছে। তওঁলোকে দেশৰ জনমুৰি আয়ৰ শতকৰা ১০ ভাগ এই শিতানত খৰচ কৰে। প্ৰতিৰক্ষাৰ দিশত খৰচ কৰা বিশ্বৰ দহটা দেশৰ ভিতৰত তেওঁলোকে সদায় থকা দেখা যায়। আধুনিক প্ৰযুক্তিৰ দ্বাৰা সমৃদ্ধ ছৌদি আৰবৰ সামৰিক বাহিনী বিশ্বৰ ভিতৰতেই প্ৰথম। তেওঁলোকে প্ৰধানতে সামৰিক আহিলা সমূহ আমেৰিকা, ফ্ৰান্স আৰু ব্ৰীটেইনৰ পৰা ক্ৰয় কৰে।

১৯৫১ চনৰ পৰা ২০০৬ চনলৈ আমেৰিকাই প্ৰায় ৮০ বিলিয়ন যুক্তৰাষ্ট্ৰ ডলাৰৰ সজলী বিক্ৰী কৰিছে কেৱল ছৌদি আৰবত। ২০১০ চনৰ অক্টোবৰ মাহত আমেৰিকাই ৬০.৫ বিলিয়ন ডলাৰৰ সামৰিক আহিলা বিক্ৰী কৰিব বুলি ঘোষণা কৰাৰ লগে লগে ছৌদি আৰবে ইয়াৰ এশ শতাংশই ক্ৰয় কৰিছিল। এই সজুলি ক্ৰয় কৰাৰ ফলত ছৌদি আৰব সামৰিক বাহিনীৰ বিশ্বৰ ভিতৰত সুকীয়া স্থান দখল কৰিছিল। ২০১৩ চনত ছৌদি আৰবে সামৰিক বাহিনীত খৰচৰ পৰিমাণ গ্ৰেট ব্ৰীটেইন, ফ্ৰান্স আৰু জাপানক ছেৰ পেলাইছিল।

১৯৬৫ চনৰ পৰা গ্ৰেট ব্ৰিটেইন যথেষ্ট পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ ছৌদি আৰবক যোগান ধৰি আহিছে। ১৯৮৫ চনত আল-ইয়ামামাহ নামৰ এটা দীৰ্ঘম্যাদী চুক্তিৰ ফলত গ্ৰেট ব্ৰিটেইনে ছৌদি আৰবক যুদ্ধ বিমান যোগান ধৰিছে। ৪৩ বিলিয়ন ব্ৰিটিছ ডলাৰ দি ছৌদি আৰবে

টাৰ্নেডো আৰু ইউৰোফাইটাৰ টাইফুন নামৰ যুদ্ধ বিমান দুখন ২০০৬ চনত ক্রয় কৰিছে। ২০১২ চনৰ মে মাহত ব্রিটিছ প্রতিৰক্ষা জাইন্ট BAE এ ১.৯ বিলিয়ন ডলাৰৰ বিনিময়ত ছৌদি আৰবে হক ট্রেইনাৰ জেট (Hawk Trainer Jets) চুক্তিত সাক্ষৰ কৰিছে। যাৰ ফলস্বৰূপে ছৌদি আৰব ব্রিটেইনৰ সামৰিক আহিলা বিক্রীৰ ক্ষেত্রত প্রথম স্থানৰ গ্রাহক হিচাবে চিহ্নীত হৈছে যদিও ব্রিটেইনৰ শতকৰা ৬৩ জন মানুহেই ছৌদি আৰবক মাৰণাস্ত্র বিক্রীৰ বিৰোধ কৰিছিল।

জামাল খাশুজগিৰ মৃত্যুৰ পিছত ২০১৮ চনৰ ২৫ অক্টোবৰ মাহত ইউৰোপীয় সংসাদ আইন বনাই জনাইছে যে তেওঁলোক আৰু ছৌদি আৰবক মাৰনাস্ত্র যোগান নধৰে। জাৰ্মানৰ প্রধান মন্ত্রী এঞ্জেলা মৰ্কেলে জনাইছে যে বৰ্তমান কোনো পদ্ধেই ছৌদি আৰবলৈ সামৰিক অস্ত্র-শস্ত্র ৰপ্তানি কৰিব নোৱাৰি। জাৰ্মানিয়ে ছৌদি আৰবৰ লগত থকা অস্ত্র-শস্ত্র চুক্তিত স্থগিতাদেশ দি ছৌদি আৰবৰ লগত সামৰিক সম্পৰ্ক ছেদ কৰিছে।

## ছৌদি আৰবত মানৱ অধিকাৰ (Human Rights in Saudi Arabia)ঃ

মানৱ অধিকাৰ হৈছে কিছুমান নৈতিক নীতি-নিয়ম যি মানৱ চৰিত্রৰ মানদণ্ড নিৰ্ণয় কৰা মানৱ অধিকাৰ সহায় আইন বা ন্যায়ালয়ৰ দ্বাৰা সুৰক্ষিত হয়। ইয়াক বহুতে আকৌ মৌলিক অধিকাৰ বুলি ক'ব খুজে। মুঠতে মানৱ অধিকাৰৰ দ্বাৰা কোনোবা এজন লোক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্মী, সাংস্কৃতিক আৰু নৈতিক সমস্যা ৰাজিৰ পৰা মুক্তি লাভ কৰে। মানৱ অধিকাৰ সদায় গোষ্ঠি, অৱস্থান, ভাষা, ধৰ্ম বা আন আন জনগাথঁনিৰ উৰ্দ্ধত।

বিশ্বৰ প্রত্যেক খন দেশেই মানৱ অধিকাৰক স্বীকৃতি প্রদান কৰিছে। ছৌদি আৰবো ইয়াৰ পৰা পৃথক নহয়। ছৌদি আৰবৰ জনসাধাৰণে যিবিলাক অধিকাৰক স্বীকৃতি প্রদান কৰিছে তাৰে বেছি

ভাগেই ত্ৰুটিপূৰ্ণ বুলি বহুতে মন্তব্য কৰিছে। Amnesty International, Human Rights Watch আৰু Freedom House আদিৰ দৰে বিশ্বৰ আগশাৰীৰ মানৱ অধিকাৰ সংস্থাসমূহে ছৌদি আৰবৰ ফৌজদাৰী আইন ব্যৱস্থা আৰু কঠোৰ শাস্তি ব্যৱস্থাক সমালোচনা কৰা দেখা যায়। ছৌদি আৰবত আলাপ-আলোচনাৰ জৰিয়তে সমস্যা সমাধান কৰাৰ কোনো ব্যৱস্থা নথকাত কেৱল আদালতেই কিছুমান আনুষ্ঠানিকতা ৰক্ষা কৰি আহিছে। Human Rights Watch নামৰ সংগঠনটোৱে ২০০৮ চনত ইয়াৰ প্ৰতিবেদনত উল্লেখ কৰিছে যে ২০০২ চনত ছৌদি আৰবত প্ৰথমবাৰৰ বাবে ফৌজদাৰী নিয়মাৱলী আৰম্ভ কৰিছে কিন্তু ই যথেষ্টই ত্ৰুটিপূৰ্ণ হোৱা হেতুকে আদালতে ইয়াক বাতিল কৰিছিল। যিকোনো দোষৰ বাবে আটোক কৰা ব্যক্তি সকলক তেওঁলোকৰ দোষৰ বিষয়েই অৱগত কৰা নহয় বা উকিলৰ লগত আলোচনা কৰাৰ সুযোগ দিয়া নহয়। দোষ স্বীকাৰ নকৰালৈকে আৰোপীক শাৰীৰিক আৰু মানসিকভাৱে অত্যাচাৰ কৰাৰ অভিযোগ থকা দেখা যায়। আদালতত সাক্ষ্য প্ৰদান কৰাৰ পৰাও দোষীসকলক বিৰত ৰখা হয় আৰু বেছিভাগ বিচাৰেই গোপনভাৱে অনুষ্ঠিত কৰা হয়।

সমগ্ৰ বিশ্বৰ ভিতৰত ছৌদি আৰবে মানৱ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত অক্ষম বুলি সচৰাচৰ অভিযোগ উত্থাপন হৈ আহিছে। মহিলা সকলোৰ অধিকাৰৰ ক্ষেত্ৰত ছৌদি আৰব সদায় সমালোচনাৰ সন্মুখীন হৈ আহিছে। এই ক্ষেত্ৰত সমকামিতা, ধৰ্মীয় স্বাধীনতাৰ শাস্তিৰ উদাহৰণ দাঙি ধৰিব পৰা যায়। ১৯৯৬ চনৰ পৰা ২০০০ চনলৈকে ছৌদি আৰবক চাৰি বাৰকৈ ৰাষ্ট্ৰসংঘত মানৱ অধিকাৰ অভিৱৰ্ত্তনক মানিবলৈ বাধ্য কৰোৱা হৈছিল। অৱশেষত ২০০৪ চনত ছৌদি আৰব চৰকাৰে National Society for Human Rights (NSHR)ক অনুমোদন জনাইছিল আৰু চৰকাৰী কৰ্মচাৰীসকলক ইয়াৰ কাৰ্য্যৰূপ দি চোৱা-চিতা কৰাৰ দায়িত্ব অৰ্পন কৰিছিল। আজিলৈকে NSHR কাৰ্য্যাৱলী সীমিত আৰু ইয়াৰ

নিৰপেক্ষতা আৰু স্বাধীনতাৰ ওপৰত সদায় সন্দেহ হৈ থাকে।

ছৌদি আৰব সেই ৰাষ্ট্ৰসমূহৰ ভিতৰত এখন ৰাষ্ট্ৰ যিয়ে ৰাষ্ট্ৰসংঘৰ Universal Declaration of Human Rights (সাৰ্ব্বজনীন মানৱঅধিকাৰ ঘোষণা পত্ৰ) ক গ্ৰহণ কৰা নাই। ২০১৪ চনত বাৰাক ওবামাৰ ছৌদি আৰব ভ্ৰমণৰ সময়ত ৰজা আব্দুল্লাহৰ লগত মানৱ অধিকাৰৰ আলোচনাই বিশেষ গুৰুত্ব লাভ কৰিছিল আৰু ছুলতান হামিদ মাৰজুক আল-ইনাজী, ছৌদ ফালিহ আৱাদ আল-ইনাজী আৰু ৰাইফ বাদায়ীৰ বন্দিত্বৰ বিষয়ে আলোচনা হৈছিল।

ছৌদি আৰব মানৱ অধিকাৰৰ প্ৰতি উদাসীন বুলি বহুতে মন্তব্য কৰিব বিচাৰে। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি যে ২০১২ চনত ১৭ বছৰীয়া আলী মুহাম্মদ বাকিৰ আল নিম্ৰক চৰকাৰ বিৰোধী প্ৰতিবাদত অংশ গ্ৰহণ কৰা বাবে আটোক কৰা হৈছিল আৰু ২০১৪ চনৰ মে মাহত তেওঁক ৰাজহুৱা বাবে শিৰচ্ছেদ কৰাৰ শাস্তি ঘোষণা কৰিছিল। এই ঘটনাক শান্তিৰ ন'বেল বটাঁ প্ৰাপ্ত সাহিত্যিক Desmond Tutu আৰু Leeh Watese ই দুৰ্ভাগ্যজনক আখ্যা দিছিল। ২০১৩ চনত বেআইনী ভাৱে ছৌদি আৰবত কাম কৰাৰ বাবে হাজাৰ হাজাৰ অনা ছৌদি লোকক গ্ৰেপ্তাৰ কৰিছিল আৰু শাৰীৰিক আৰু মানসিক শাস্তি প্ৰদান কৰিছিল - কাৰণ তেওঁলোকৰ ভিজাৰ সময় সীমা উকলি গৈছিল। এই ঘটনাক সমগ্ৰ বিশ্বই কঠোৰ ভাৱে সমালোচনা কৰিছিল আৰু বহুতো অনা ছৌদি কৰ্মচাৰীয়ে ছৌদি আৰবত চাকৰি কৰাত অনিচ্ছা প্ৰকাশ কৰিছিল।

## ছৌদি আৰবৰ প্ৰাণীকুল (Fauna of Saudi Arabia)ঃ

প্ৰাণীকুলৰ ফালৰ পৰা ছৌদি আৰব যথেষ্টই চহকী। ছৌদী আৰবৰ হাবি সমূহত পৰ্যাপ্ত পৰিমাণে সেউজীয়া ঘাঁহনী থকাৰ কাৰণে ইয়াত বহুতো প্ৰজাতিৰ বনৰীয়া জীৱ-জন্তু বাস কৰা দেখা যায়। শেহতীয়া এটা সমীক্ষাত দেখা গৈছে সমগ্ৰ বিশ্বতেই বন্যজীৱনে জটিলতাৰ

সন্মুখীন হৈ আহিছে। এই ক্ষেত্ৰত ছৌদি আৰবেও পিছ পৰি থকা নাই। ছৌদি আৰবত বসবাস কৰা নাহৰ ফুটুকীয়া বাঘ, কুকুৰ নেচীয়া বাঘ, দীঘল নোম থকা হায়না, নেউল, ভালুক, বান্দৰ, শহাপহু, বালি মেকুৰী আদিৰ সংখ্যা দিনক দিনে কমি আহিছে। আমোদ-প্ৰমোদ বিনোদনৰ বাবে চিকাৰ কৰাই ইয়াৰ মুখ্য কাৰণ বুলি জনা যায়। এই দেশত শেন চৰাই, ঈগল, চিলনী, শগুন, বুলবুল আদি বিভিন্ন প্ৰকাৰৰ চৰাই-চিৰিকতি আছে। ইয়াৰো সংখ্যা অস্বাভাৱিক হাৰত কমি আহি আছে। শেন চৰাইক আৰব সকলে চিকাৰ ধৰাৰ বাবে প্ৰশিক্ষণ দিয়ে। ইয়াত বিভিন্ন প্ৰজাতিৰ সাপ দেখা যায়, যাৰ বেছিভাগেই বিষাক্ত। লোহিত সাগৰ (Red Sea) ত পৰ্যাপ্ত পৰিমাণৰ মাছ আছে। ১২০০ প্ৰজাতিৰ মাছৰ বাসস্থান হৈছে এই লোহিত সাগৰ। বিশ্বৰ আন আন প্ৰান্তত ইয়াৰ দহ শতাংশও দেখিবলৈ পোৱা নাযায়। এই মাছ সমূহৰ ৪২ প্ৰজাতিৰ মাছ গভীৰ পানীত বাস কৰে। ৪৪ প্ৰজাতিৰ হাঙৰ (Shark) মাছ ছৌদি আৰবৰ পানী ভাগত বাস কৰে।

পোহনীয়া জীৱ-জন্তুৰ ক্ষেত্ৰতো ছৌদি আৰব যথেষ্ট চহকী। আৰবী ঘোঁৰা সমগ্ৰ বিশ্বত বিখ্যাত। ছৌদি আৰবৰ বাসিন্দা সকলে উট, ভেড়া, ছাগলী, গৰু, দুম্বা, গাধ আদি পুহি ভাল পায়। ঘোঁৰা সান্তৰ প্ৰতিক। উট মৰুভূমিৰ জাহাজ। ভেড়া, ছাগলী, দুম্বা আদিক মাংসৰ বাবে পোহা হয়।

ছৌদি আৰবৰ জলবায়ু শুকান আৰু অসাৰুৱা হেতুকে ইয়াত পৰ্যাপ্ত পৰিমাণৰ গছ-গছনী নাই। পাহাৰ আৰু পৰ্বত মালা শুকান। গছ-গছনী তেনেই সেৰেঙা। তথাপিও কিছুমান জোপোহা গছ দেখিবলৈ পোৱা যায়। আৰব দেশৰ খেজুৰ অতি সুস্বাদু। জলফাই (Olive) গছ যথেষ্ট পৰিমাণে আছে। জলফাই তেল গোটেই বিশ্বত সমাদৃত।

**ছৌদি আৰবৰ কৃষি ব্যৱস্থা (Agriculture of Saudi Arabia)ঃ**

ছৌদি আৰব ভাৰত, পাকিস্থান বা বাংলাদেশৰ দৰে কৃষি প্ৰধান